**“মৰমৰ সন্তানসকল – তোমালোকে ইপাৰৰ পৰা সিপাৰলৈ যাবলৈ নাৱৰীয়া পাইছা, তোমালোকৰ ভৰি এতিয়া এই পুৰণি সৃষ্টিত নাই, তোমালোকৰ লংগৰ ইতিমধ্যে উঠি গ'ল”**

প্ৰশ্ন: যাদুকৰ পিতাৰ চমৎকাৰ যাদু কোনটো যিটো আন কোনেও কৰিব নোৱাৰে?

উত্তৰ: কড়িতুল্য আত্মাক হীৰাতুল্য কৰি তোলা, মালী হৈ কাঁইটক ফুল কৰি তোলা - এয়া অতি চমৎকাৰ যাদু যিটো একমাত্ৰ যাদুকৰ পিতাইহে কৰে, আন কোনেও কৰিব নোৱাৰে। মনুষ্যই কেৱল ধন উপাৰ্জনৰ বাবে নিজক যাদুকৰ বুলি কয়, কিন্তু পিতাৰ দৰে যাদু কৰিব নোৱাৰে।

ওঁম্ শান্তি। গোটেই সৃষ্টি চক্ৰ বা ড্ৰামাত পিতা এবাৰেই আহে। অন্য কোনো সৎসঙ্গ আদিত এনেকৈ নুবুজে। সেয়া কথা (কাহিনী) শুনাওঁতা পিতাও নহয় আৰু সেইসকল সন্তানো নহয়। তেওঁলোকতো বাস্তৱত অনুগামীও নহয়। ইয়াততো তোমালোক সন্তানো হোৱা, বিদাৰ্থীও হোৱা আৰু অনুগামীও হোৱা। পিতাই সন্তানসকলক লগত লৈ যাব। বাবা গুচি গ’লে সন্তানসকলেও এই ছিঃ ছিঃ সৃষ্টিৰ পৰা নিজৰ ফুলৰ সৃষ্টিত গৈ ৰাজত্ব কৰিব। এইটো তোমালোক সন্তানসকলৰ বুদ্ধিত উদয় হ’ব লাগে। এই শৰীৰৰ ভিতৰত থকা যি আত্মা আছে সেই আত্মা অতি আনন্দিত হয়। তোমালোক আত্মাসকল বহুত আনন্দিত হ'ব লাগে। বেহদ পিতাৰ আগমন হৈছে যিজন সকলোৰে পিতা, এইটোও কেৱল তোমালোক সন্তানসকলেহে বুজি পোৱা। বাকী গোটেই সৃষ্টিততো সকলো বুদ্ধিহীনেই। পিতাই বহি বুজায় - ৰাৱণে তোমালোকক কিমান বুদ্ধিহীন কৰি দিলে। পিতা আহি বুদ্ধিমান কৰি তোলে। গোটেই বিশ্বত ৰাজত্ব কৰাৰ লায়ক কৰি তোলে, ইমান বুদ্ধিমান কৰি তোলে। এই বিদ্যাৰ্থী জীৱনো এবাৰেই পোৱা যায়, যেতিয়া ভগৱান আহি পঢ়ায়। তোমালোকৰ বুদ্ধিত এয়া আছে, বাকী যিসকল নিজৰ পেছাগত কাম-কাজ আদিত আৱদ্ধ হৈ থাকে, তেওঁলোকৰ বুদ্ধিত এইটো কেতিয়াও উদয় হ’ব নোৱাৰে যে ভগৱানে পঢ়ায়। তেওঁলোকৰতো নিজৰ পেছাগত কাম-কাজ আদিয়েই স্মৃতিত থাকে। তোমালোক সন্তানসকলে যিহেতু জানা যে ভগৱানে আমাক পঢ়ায় তেন্তে কিমান হৰ্ষিত হৈ থাকিব লাগে বাকী সকলো হৈছে পাই-পইচাধাৰীৰ সন্তান, তোমালোকতো ভগৱানৰ সন্তান হৈছা, গতিকে তোমালোক সন্তানসকলৰ সীমাহীন আনন্দ থাকিব লাগে। কোনোবাতো বহুত হৰ্ষিত হৈ থাকে। কোনোবাই কয় - বাবা আমি মুৰুলী শুনাব নোৱাৰো, এইটো হয়.........। হেৰ’, মুৰুলী জটিল হয় জানো! যেনেকৈ ভক্তিমাৰ্গত সাধু-সন্ত আদিক কোনোবাই সোধে - আমি ঈশ্বৰক কেনেকৈ লগ পাম? কিন্তু তেওঁলোকে নাজানে। কেৱল আঙুলিৰে ইংগিত দিয়ে যে ভগৱানক স্মৰণ কৰা। বচ্, ইমানতেই আনন্দিত হৈ যায়। তেওঁ কোন - জগতত কোনেও সেয়া নাজানে। নিজৰ পিতাক কোনেও চিনি নাপায়। এই ড্ৰামাখনেই এনেকৈ ৰচনা কৰি থোৱা আছে, তথাপিও পাহৰি যাব। এনেকুৱা নহয় যে তোমালোকৰ মাজত সকলোৱে পিতা আৰু ড্ৰামাক জানে। ক'ৰবাত ক'ৰবাততো এনেকুৱা আচৰণ কৰে যে কথাই নুসুধিবা। সেই নিচাই নাইকিয়া হৈ যায়। এতিয়া তোমালোক সন্তানসকলৰ ভৰি যেন পুৰণি সৃষ্টিত নায়েই। তোমালোকে জানা যে কলিযুগী সৃষ্টিৰ পৰা এতিয়া তোমালোকৰ ভৰি আঁতৰি গ’ল, নাওৰ লংগৰ উঠি গৈছে। এতিয়া আমি গৈ আছোঁ, পিতাই আমাক ক'লৈ লৈ যাব এইটো বুদ্ধিত আছে, কিয়নো পিতা নাৱৰীয়াও হয় লগতে মালীও হয়। কাঁইটক ফুল কৰি তোলে। তেওঁৰ দৰে মালী অন্য কোনো নাই যিয়ে কাঁইটৰ পৰা ফুল কৰি তুলিব। এইটো কিবা কম যাদু জানো। কড়িতুল্য আত্মাক হীৰাতুল্য কৰি তোলে। আজিকালি বহুত যাদুকৰ ওলাইছে, এইখন হৈছে প্ৰৱঞ্চকৰ জগত। পিতা হৈছে সৎগুৰু। এনেকৈ কয়ো যে সৎগুৰু অকাল। বৰ নিচাৰে কয়। এতিয়া যিহেতু নিজেই কয় যে সৎগুৰু এজন, সকলোৰে সৎগতি দাতা এজন, তেন্তে আকৌ নিজকে গুৰু বুলি কিয় ক'ব লাগে? তেওঁলোকেও নুবুজে, ৰু বাকী লোকসকলেও একো নুবুজে। এই পুৰণি সৃষ্টিত আছেই বা কি। সন্তানসকলে যেতিয়া গম পায় যে বাবাই নতুন ঘৰ নিৰ্মাণ কৰি আছে তেন্তে এনেকুৱা কোন থাকিব যিয়ে নতুন ঘৰক ঘৃণা কৰিব আৰু পুৰণি ঘৰৰ প্ৰতি মৰম ৰাখিব। বুদ্ধিত নতুন ঘৰৰে স্মৃতি থাকে। তোমালোক বেহদৰ পিতাৰ সন্তান হৈছা গতিকে তোমালোকৰ স্মৃতিত থাকিব লাগে যে পিতাই আমাৰ বাবে নতুন বিশ্ব স্থাপনা কৰি আছে। আমি সেই নতুন বিশ্বলৈ যাওঁ। সেই নতুন বিশ্বৰ অনেক নাম আছে। ‘সত্যযুগ’, ‘হেভেন’, ‘পেৰাডাইজ্’, ‘বৈকুন্ঠ’ আদি.....। তোমালোকৰ বুদ্ধি এতিয়া পুৰণি সৃষ্টিৰ পৰা আঁতৰি গ'ল কিয়নো পুৰণি সৃষ্টিত কেৱল দুখেই আছে। ইয়াৰ নামেই হৈছে নৰক, কাঁইটৰ জংঘল, ৰৌৰৱ নৰক, কংসপুৰী। ইয়াৰ অৰ্থও কোনেও নাজানে। পাথৰবুদ্ধিৰ হয় নহয়। চোৱা ভাৰতৰ অৱস্থা কেনেকুৱা। পিতাই কয় - এই সময়ত সকলো পাথৰ (অপৱিত্ৰ) বুদ্ধিৰ। সত্যযুগত সকলো পাৰস (পৱিত্ৰ) বুদ্ধিৰ, যেনেকুৱা ৰজা-ৰাণী তেনেকুৱাই প্ৰজা। ইয়াততো হয়েই প্ৰজাৰ ওপৰত প্ৰজাৰ

ৰাজ্য, সেইবাবে সকলোৱে ডাক-টিকট বনাই থাকে।

তোমালোক সন্তানসকলৰ বুদ্ধিত এইটো স্মৃতি থাকিব লাগে। উচ্চতকৈও উচ্চ হৈছে পিতা। আকৌ দ্বিতীয় নম্বৰত উচ্চ কোন? ব্ৰহ্মা, বিষ্ণু আৰু শংকৰৰতো কোনো শ্ৰেষ্ঠতা নাই। শংকৰৰতো ৰেহ-ৰূপ আদিয়েই কেনেকুৱা কৰি দিছে। এনেকৈ কৈ দিয়ে যে তেওঁ ভাং খায়, ধতুৰা খায়....... এয়াতো অপমান কৰা হয় নহয়। এনেকুৱা কথা নাথাকে। এওঁলোকে নিজৰ ধৰ্মকে পাহৰি গৈছে। নিজৰ দেৱতাসকলৰ বাবে কি কি কথা কৈ থাকে, কিমান গ্লানি কৰে! সেইবাবে পিতাই কয় - মোৰো গ্লানি, শংকৰৰো, ব্ৰহ্মাৰো গ্লানি। বিষ্ণুৰ গ্লানি নহয়। বাস্তৱত গুপ্ত ৰীতিৰে তেওঁৰো গ্লানি কৰে, কিয়নো বিষ্ণুয়েই ৰাধা-কৃষ্ণ হয়। এতিয়া কৃষ্ণ হৈছে শিশু গতিকে মহাত্মাতকৈও উচ্চ বুলি গায়ন কৰা হয়। এওঁতো (ব্ৰহ্মাই) পাছত সন্ন্যাস কৰে, তেওঁতো (কৃষ্ণ) শিশু হয়েই পবিত্ৰ। পাপ আদিৰ বিষয়ে নাজানে। গতিকে উচ্চতকৈও উচ্চ হৈছে শিৱবাবা, তথাপিও বেচেৰাহঁতে নাজানে যে প্ৰজাপিতা ব্ৰহ্মা ক'ত থকা উচিত। প্ৰজাপিতা ব্ৰহ্মাক শৰীৰধাৰী হিচাপেই দেখুৱায়। আজমেৰত তেওঁৰ মন্দিৰ আছে। দাড়ি- গোঁফ ব্ৰহ্মাৰ ক্ষেত্ৰত দেখুৱায়, শংকৰ বা বিষ্ণুৰ ক্ষেত্ৰত নেদেখুৱায়। গতিকে এয়া বোধশক্তিৰ কথা। প্ৰজাপিতা ব্ৰহ্মা সূক্ষ্মলোকত কেনেকৈ থাকিব! তেওঁতো ইয়াত থকা উচিত। এই সময়ত ব্ৰহ্মাৰ কিমান সন্তান আছে? লিখিত আছে প্ৰজাপিতা ব্ৰহ্মাকুমাৰ-কুমাৰী অনেক আছে তেন্তে নিশ্চয় প্ৰজাপিতা ব্ৰহ্মা থাকিব। চৈতন্য হয় যেতিয়া নিশ্চয় কিবা কৰে চাগৈ। প্ৰজাপিতা ব্ৰহ্মাই কেৱল সন্তানেই জন্ম দিয়ে নে অন্য কিবাও কৰে। যদিও আদি দেৱ ব্ৰহ্মা, আদি দেৱী সৰস্বতী বুলি কয় কিন্তু তেওঁলোকৰ ভূমিকা কি, এয়া কোনেও নাজানে। ৰচয়িতা হয় তেন্তে নিশ্চয় ইয়াত ভূমিকা পালন কৰি গৈছে। নিশ্চয় ব্ৰাহ্মণসকলক শিৱবাবাই তুলি লৈছে। নহ'লেনো ব্ৰহ্মা ক'ৰ পৰা আহিল? এয়া নতুন কথা হয় নহয়। যেতিয়ালৈকে পিতা নাহে, তেতিয়ালৈকে কোনেও জানিব নোৱাৰে। যাৰ যি ভূমিকা সেয়াই পালন কৰে। বুদ্ধই কি ভূমিকা পালন কৰিলে, কেতিয়া আহিল, আহি কি কৰিলে - কোনেও নাজানে। তোমালোকে এতিয়া জানা যে তেওঁ জানো, শিক্ষক, পিতা হয়? নহয়। সৎগতিতো দিব নোৱাৰে। তেওঁতো কেৱল নিজৰ ধৰ্মৰ ৰচয়িতা হয়, গুৰু নহয়। পিতাই সন্তানসকলক ৰচনা কৰে। তাৰ পাছত পঢ়ায়। পিতা, শিক্ষক, গুৰু তিনিওজনেই হয়। আন কাৰোবাক ক'বা জানো যে আপুনি পঢ়াওঁক। অন্য কাৰো এই জ্ঞান নায়েই। বেহদৰ পিতাই হৈছে জ্ঞানৰ সাগৰ। তেন্তে নিশ্চয় জ্ঞান শুনাব। পিতাইহে স্বৰ্গৰ ৰাজ্য-ভাগ্য দিছিল। এতিয়া পুনৰাই দি আছে। পিতাই কয় - তোমালোক পুনৰাই 5 হাজাৰ বছৰ পাছত আহি মিলিত হৈছা। সন্তানসকলৰ অন্তৰ আনন্দ হৈ থাকে যে যাক গোটেই সৃষ্টিয়ে বিচাৰি আছে, তেওঁক আমি পাই গ'লোঁ। বাবাই কয় – সন্তানসকল, তোমালোক 5 হাজাৰ বছৰ পাছত পুনৰ আহি মিলিত হৈছা। সন্তানসকলে কয় - হয় বাবা, আমি আপোনাক অনেক বাৰ লগ পাইছোঁ। তোমালোকক কোনোবাই যিমানে মাৰ-পিত নকৰক অন্তৰততো সেই আনন্দ আছে নহয়। শিৱবাবাৰ লগত মিলনৰ স্মৃতিতো আছে নহয়। স্মৃতিৰ দ্বাৰাই কিমান পাপ খণ্ডন হয়। অবলাসকল, বন্ধনত থকাসকলৰতো আৰুহে বেছিকৈ পাপ খণ্ডন হয় কিয়নো তেওঁলোকে শিৱবাবাক বেছিকৈ স্মৰণ কৰে। অত্যাচাৰ যেতিয়া হয় তেতিয়া বুদ্ধি শিৱবাবাৰ ফালে গুচি যায়। শিৱবাবা ৰক্ষা কৰক। তেন্তে স্মৰণ কৰাতো ভাল নহয় জানো। লাগিলে নিতৌ মাৰ-কিল খোৱা, শিৱবাবাক স্মৰণ কৰিবা, এয়াতো ভালেই হয় নহয়। এনেকুৱা মাৰ-কিলৰ প্ৰতিতো উৎসৰ্গিত হৈ যাব লাগে। মাৰ-কিল খালে শিৱবাবাক স্মৰণ কৰে। এনেকৈ কয় - মুখত গংগাজল হওঁক, গংগাৰ পাৰত থাকক, তেতিয়া প্ৰাণ শৰীৰৰ পৰা ওলাই যাওঁক। তোমালোকে যেতিয়া মাৰ খোৱা, বুদ্ধিত 'অল্ফ' (পিতা) আৰু 'বে' (বাদশ্বাহী)ৰ স্মৃতি থাকিব লাগে। বচ্। বাবা বুলি ক'লে উত্তৰাধিকাৰ নিশ্চয় স্মৃতিলৈ আহিব। এনেকুৱা কোনো নাই, যাৰ বাবা বুলি ক'লে উত্তৰাধিকাৰ স্মৃতিলৈ নাহে। পিতাৰ লগতে উত্তৰাধিকাৰো নিশ্চয় স্মৃতিলৈ আহিব। তোমালোকৰো শিৱবাবাৰ লগতে উত্তৰাধিকাৰ নিশ্চয় স্মৃতিলৈ আহিব। তেওঁলোকেতো তোমালোকক বিহৰ বাবে (বিকাৰৰ বাবে) নিৰ্যাতন দি শিৱবাবাৰ স্মৃতি আনি দিয়ে। তোমালোকে পিতাৰ পৰা উত্তৰাধিকাৰ পোৱা, পাপ খণ্ডন হৈ যায়। এয়াও ড্ৰামাত তোমালোকৰ বাবে গুপ্ত কল্যাণ। যেনেকৈ যুদ্ধক কল্যাণকাৰী তেনেকৈ এই নিৰ্যাতনো মংগলদায়ক নহ'ল জানো।

আজিকালি সন্তানসকলৰ প্ৰদৰ্শনী মেলাৰ সেৱাত গুৰুত্ব বৃদ্ধি পাইছে। ''নৱ নিৰ্মাণ প্ৰদৰ্শনী''ৰ লগতে ''স্বৰ্গৰ দ্বাৰ'' বুলিও লিখি দিয়া। দুয়োটাই লিখিব লাগে। নতুন সৃষ্টি কেনেকৈ স্থাপনা হয়, তাৰ প্ৰদৰ্শনী হ'লে মনুষ্যই শুনি আনন্দিত হ'ব। নতুন সৃষ্টি কেনেকৈ স্থাপনা হয় তাৰ বাবে এই চিত্ৰ তৈয়াৰ কৰা হৈছে। আহি চাওঁক। ''নতুন সৃষ্টিৰ দ্বাৰ'', এই বাক্যটিও ঠিক। এয়া যি যুদ্ধ হয় তাৰ দ্বাৰা দ্বাৰ মুকলি হয়। 'গীতা'তো আছে - ভগৱান আহিছিল, আহি ৰাজযোগ শিকাইছিল। মনুষ্যৰ পৰা দেৱতা কৰি তুলিছিল তেন্তে নিশ্চয় নতুন সৃষ্টি স্থাপনা হৈছিল। মনুষ্যই চন্দ্ৰলৈ যাবলৈ কিমান চেষ্টা কৰে। তাত কেৱল মাটিয়েই মাটি দেখা পায়। মনুষ্য আদি একো দেখা নাপায়। ইমানখিনিয়ে শুনায়। ইয়াৰ পৰা লাভেই বা কি! এতিয়া তোমালোক প্ৰকৃত শান্তিত যোৱা নহয়। অশৰীৰী হোৱা। সেইখন হ'ল শান্তিৰ লোক। তোমালোকে মৃত্যু বিচৰা, শৰীৰ এৰি যাব বিচৰা। পিতাকো মৃত্যুৰ বাবেই আহ্বান জনোৱা যে আহি আপোনাৰ লগত মুক্তি-জীৱনমুক্তিলৈ লৈ যাওঁক।

কিন্তু বুজি পায় জানো, পতিত-পাৱন আহিব যেন আমি কালৰো কালকহে মাতো। এতিয়া তোমালোকে বুজি পোৱা, বাবাৰ আগমন হৈছে, কয় ঘৰলৈ ব'লা আৰু আমি ঘৰলৈ যাওঁ। বুদ্ধিয়ে কাম কৰে নহয়। ইয়াত বহুত সন্তান আছে যাৰ বুদ্ধি পেছাগত কাম-কাজ আদিৰ পিছত দৌৰি থাকে। অমুকৰ বেমাৰ, কি হৈছে চাওঁগে। অনেক প্ৰকাৰৰ সংকল্প উদয় হয়। পিতাই কয় - তোমালোক ইয়াত বহি আছা, আত্মাৰ বুদ্ধি পিতা আৰু উত্তৰাধিকাৰৰ ফালে থাকিব লাগে। আত্মাইহে স্মৰণ কৰে নহয়। ধৰি লোৱা কাৰোবাৰ সন্তান লণ্ডনত আছে, খবৰ আহিল বেমাৰ হৈছে। বচ্, বুদ্ধি গুচি যাব। তেতিয়া বুদ্ধিত জ্ঞান ধাৰণ হ'ব নোৱাৰে। ইয়াত বহি থাকিয়ে বুদ্ধিত তেওঁৰ স্মৃতি আহি থাকিব। কাৰোবাৰ পতিৰ বেমাৰ হ'লে পত্নী ভিতৰি উদ্বিগ্ন হৈ যাব। বুদ্ধি গুচিতো যায় নহয়। সেয়েহে তোমালোকেও ইয়াত বহি সকলো কৰি শিৱবাবাক স্মৰণ কৰি থাকিবা। সেয়াও পৰম সৌভাগ্যৰ কথা। যেনেকৈ তেওঁলোকে পতিক অথবা গুৰুক স্মৰণ কৰে, তোমালোকে পিতাক স্মৰণ কৰিবা। তোমালোকে নিজৰ এক মিনিটো নষ্ট কৰিব নালাগে। পিতাক যিমান স্মৰণ কৰিবা, সেৱা কৰোতেও পিতাহে স্মৃতিলৈ আহিব। পিতাই কৈছে - মোৰ ভক্তসকলক বুজোৱা। এয়া কোনে ক'লে? শিৱবাবাই। শ্ৰীকৃষ্ণৰ ভক্তসকলক কি বুজাবা? তেওঁলোকক ক'বা - শ্ৰীকৃষ্ণই নতুন সৃষ্টি স্থাপনা কৰি আছে। মানিব জানো? ৰচয়িতাতো হৈছে ঈশ্বৰ পিতা, শ্ৰীকৃষ্ণ হয় জানো। পৰমপিতা পৰমাত্মাইহে পুৰণি সৃষ্টিক নতুন কৰি গঢ়ি আছে, এইটো মানিও ল'ব। নতুনেই পুৰণি, পুৰণিয়েই আকৌ নতুন হয়। কেৱল সময় বহুত বুলি কোৱাৰ বাবে মনুষ্য ঘোৰ অন্ধকাৰত আছে। তোমালোকৰ কাৰণেতো এতিয়া হাতত স্বৰ্গ আছে। পিতাই কয় - মই তোমালোকক সেই স্বৰ্গৰ মালিক কৰি তুলিবলৈ আহিছোঁ। মালিক হ'বানে? বাঃ কিয় নহ'ম! বাৰু, মোক স্মৰণ কৰা আৰু পৱিত্ৰ হোৱা। স্মৃতিৰ দ্বাৰাহে পাপ ভস্ম হৈ যাব। তোমালোক সন্তানসকলে জানা - বিকৰ্মৰ বোজা আত্মাত আছে, শৰীৰত নাই। যদি শৰীৰত বোজা থাকিলহেঁতেন তেন্তে যেতিয়া শৰীৰ জ্বলাই দিয়ে তেতিয়া তাৰ লগতে সকলো পাপো জ্বলি গ'লহেঁতেন। আত্মাতো হয়েই অবিনাশী, তাত কেৱল খাদ (বিকাৰৰ লেপ) লাগে যি খাদ আঁতৰাবলৈ পিতাই এটাই যুক্তি শুনায় যে স্মৰণ কৰা। পতিতৰ পৰা পাৱন হোৱাৰ যুক্তি কিমান ভাল। মন্দিৰ নিৰ্মাণ কৰাসকল, শিৱৰ পূজা কৰাসকলো ভক্ত হয় নহয়। পূজাৰীক কেতিয়াও পূজ্য বুলি ক'ব নোৱাৰি। ভাল বাৰু!

অতি মৰমৰ, কল্পৰ পাছত পুনৰাই মিলিত হোৱা সন্তানসকলৰ প্ৰতি মাতা-পিতা বাপদাদাৰ স্নেহপূৰ্ণ স্মৰণ আৰু সুপ্ৰভাত। আত্মিক পিতাৰ আত্মিক সন্তানসকলৰ প্ৰতি নমস্কাৰ।

*ধাৰণাৰ বাবে মুখ্য সাৰ:-**

(1) যাক গোটেই জগতে বিচাৰি আছে, সেইজন পিতাক আমি পাই গ'লোঁ - এইটো আনন্দত থাকিব লাগে। স্মৃতিৰ দ্বাৰাহে পাপ খণ্ডন হয়, সেইবাবে যিকোনো পৰিস্থিতিত পিতা আৰু উত্তৰাধিকাৰক স্মৰণ কৰিব লাগে। নিজৰ এক মিনিট সময়ো নষ্ট কৰিব নালাগে।

(2) এই পুৰণি সৃষ্টিৰ পৰা বুদ্ধিৰ লংগৰ উঠাই দিব লাগে। বাবাই আমাৰ বাবে নতুন ঘৰ নিৰ্মাণ কৰি আছে, এইখন হৈছে ৰৌৰৱ নৰক, কংসপুৰী, আমি বৈকুণ্ঠপুৰীলৈ যাওঁ। সদায় এইটো স্মৃতিত থাকিব লাগে।

বৰদান: বিহংগ মাৰ্গৰ (তীব্ৰ গতিৰ) সেৱাৰ দ্বাৰা বিশ্ব পৰিৱৰ্তনৰ কাৰ্য সম্পন্ন কৰোঁতা সঁচা সেৱাধাৰী হোৱা
বিহংগ মাৰ্গৰ সেৱা কৰিবলৈ সংগঠিত ৰূপত "জ্ঞানী আৰু যোগী" এই দুটা কথাৰ সন্তুলন থাকিব লাগে। যেনেকৈ জ্ঞানীৰ ৰূপত একেটা সময়ত অনেক আত্মাক বাৰ্তা দিয়াৰ কাৰ্য কৰা তেনেকৈ ৰূপ অৰ্থাৎ স্মৃতিৰ বলেৰে, শ্ৰেষ্ঠ সংকল্পৰ বলেৰে বিহংগ মাৰ্গৰ সেৱা কৰা। ইয়াৰো উদ্ভাৱন উলিওৱা। লগতে সংগঠিত ৰূপত দৃঢ় সংকল্পৰে পুৰণি সংস্কাৰ, স্বভাৱ আৰু পুৰণি চলনৰ তিল আৰু যৱ যজ্ঞত স্বাহা কৰা তেতিয়া বিশ্ব পৰিৱৰ্তনৰ কাৰ্য সম্পন্ন হ'ব অথবা যজ্ঞৰ সমাপ্তি হ'ব।

শ্লোগান: বালক আৰু মালিকবোধৰ সন্তুলনেৰে পৰিকল্পনা বাস্তৱায়িত কৰা।

!! ওঁম্ শান্তি !!

আত্মিক আভিজাত্য আৰু পৱিত্ৰতাৰ ব্যক্তিত্ব ধাৰণ কৰিবলৈ আজিৰ অব্যক্ত সংকেত:

এই ঈশ্বৰীয় সেৱাত সকলোতকৈ শ্ৰেষ্ঠ পুণ্য হৈছে - পৱিত্ৰতাৰ দান দিয়াটো। পৱিত্ৰ হোৱা আৰু পৱিত্ৰ কৰি তোলা মানেই পুণ্য আত্মা হোৱা কিয়নো আত্মাক আত্মঘাত মহাপাপৰ মুক্ত কৰা। অপৱিত্ৰতা হৈছে আত্মঘাত। পৱিত্ৰতা হৈছে জীৱদান। কাৰোবাৰ দুখ লৈ সুখ দিয়া, এইটোৱে সকলোতকৈ শ্ৰেষ্ঠ পুণ্যৰ কাম। এনেকুৱা পুণ্য কৰি কৰি পুণ্যাত্মা হৈ যাবা।